# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## মঙ্গলবাৰ, ২৫ মাৰ্চ, ২০২৫

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৩৬**

---

*বিষয় ঃ* **জিলা পৰিষদ, আঞ্চলিক আৰু গাঁও পঞ্চায়তৰ আবণ্টিত পুঁজি।**

শ্ৰীনিজানুৰ ৰহমান ঃ

৫৭৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত যোৱা পাঁচটা (৫) বিত্তীয় বৰ্ষত কোন কোন হাট ঘাটৰ পৰা কিমান টকা জিলা পৰিষদে লাভ কৰিছে? ইয়াৰে আঞ্চলিক পঞ্চায়তসমূহক দিবলগীয়া শ্বেয়াৰৰ অংশ কোন আঞ্চলিকক কেতিয়া, কিমান টকা দিয়া হৈছে? (সমষ্টি ভিত্তিক বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)।

(খ) জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তসমূহে লাভ কৰা পুঁজিসমূহ কোন শিতানত কি কি কামত খৰচ কৰা হ'ল বিতং ভাৱে সদনত জনাব।

(গ) ধুবুৰী জিলাত প্ৰতিটো পঞ্চায়তত বৰ্তমানে চলি থকা কামৰ সংখ্যা কিমান? (প্ৰতিটো কামৰ বিপৰীতে নিৰ্ধাৰিত পুঁজি, কামৰ অগ্ৰগতিৰ খতিয়ানসহ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)।

*বিষয় ঃ* **আঁচনি অনুমোদিত ধন**

শ্ৰীনজৰুল হক ঃ

৫৭৮। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দ্বাৰা ২০২১-২২, ২০২২-২৩

আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত কিমান টকা মঞ্জুৰী দিয়া হৈছে? কি কি আঁচনিৰ বিপৰীতে কিমান টকা খৰছ কৰা হৈছে? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) উপৰোক্ত বিত্তীয় বৰ্ষ কেইটাত ২৩ নং ধুবুৰী বিধান সভা সমষ্টিত কোন কোন ঠাইত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? ঠাই আৰু আঁচনিৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*Sub.* : **JJM Schemes**

Shri KRISHNA KAMAL TANTI :

579. Will the Minister of Public Health Engineering Department be pleased to state:

(a) How many JJM Schemes are completed in Rangapara LAC and how many are incomplete ? Please furnish in details.

(b) How many schemes are newly being approved ? Please give details ?

(c) What is the liable Period of contractor for maintenance and operation of the schemes ?

*বিষয় ঃ* **মডেল অঙ্গনবাদী কেন্দ্ৰৰ আবণ্টিত পুঁজি**

শ্ৰীমজিবুৰ ৰহমান ঃ

৫৮০। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত এতিয়ালৈকে কিমানখন মডেল অঙ্গনবাদী কেন্দ্ৰ অনুমোদন দিয়া হৈছে?

(খ) ৬৮ নং দলগাঁও বিধান সভা সমষ্টিত কিমানটা অঙ্গনবাদী কেন্দ্ৰ আছে আৰু তাৰে কিমানখনক মডেল অঙ্গনবাদী কেন্দ্ৰ হিচাবে চিহ্নিত কৰিছে?

(গ) চিহ্নিত কৰা অঙ্গনবাদী কেন্দ্ৰসমূহত বৰ্তমানে নিৰ্মাণৰ কাম চলি আছেনে? প্ৰতিটো অঙ্গনবাদী কেন্দ্ৰৰ বিপৰীতে কিমান টকা মঞ্জুৰী দিয়া হৈছে? কামৰ অগ্ৰগতিৰ খতিয়ান, মঞ্জুৰীকৃত টকাৰ পৃথকে পৃথকে সদনত তথ্য দাখিল কৰিব।

*Sub.*: **Water Supply in Guwahati City**

Shri PRADIP SARKAR :

581. Will the Minister of Housing, & Urban Affairs Department be pleased to state:

(a) How many water supply scheme is presently undergoing in Guwahati City ?

(b) Please provide details of all the ongoing schemes as per format belwo.

| Sl. No. | Name and Number of Schemes | Date of Work starting | Source of fund | Original Sanctioned amount | Enhanced amount |
|---|---|---|---|---|---|
| | | | | | |

| Amount Spent | Total proposed Household & Soul to be provided with water | Already provided no-of House hold & Souls | Percentage of works completed | Percentage of fund released |
|---|---|---|---|---|
| | | | | |

(c) When will the works be completed ?

(d) Whether steps have been taken to identify the reasons of mishaps and responsibility (ies) fixed to officers & contractors associated ? Please give details of enquiry and action taken.

(e) What was the schedule given to the contractor of the project and how

many times it is extended to complete the project ?

(f) How much area is covered ?

*বিষয় ঃ* **অংগনবাড়ী কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

৫৮২। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত থকা অংগনবাড়ী কেন্দ্ৰৰ সংখ্যা কিমান?

(খ) বৰ্তমান অংগনবাড়ী কেন্দ্ৰসমূহত কিমান শিশু আছে? জিলাৰ বিধান সভা সমষ্টি তথ্য দিব।

(গ) দুলীয়াজান বিধান সভা সমষ্টিত কিমানটা অংগনবাড়ী কেন্দ্ৰ আছে? গাঁও পঞ্চায়ত ভিত্তিত তালিকা দিব।

(ঘ) দুলীয়াজান বিধান সভা সমষ্টিত কিমানটা অংগনবাড়ী কেন্দ্ৰত কৰ্মী আৰু সহায়িকা নাই? অংগনবাড়ী কেন্দ্ৰ ভিত্তিত সবিশেষ তালিকা দিব।

(ঙ) অংগনবাড়ী কেন্দ্ৰৰ শিশুসকলক কি কি খাদ্য সামগ্ৰী আৰু কিমান পৰিমাণৰ দিয়া হয়? সবিশেষ জনাব।

*বিষয় ঃ* **পৰ্য্যটন ক্ষেত্ৰ বিকাশ আৰু সৌন্দৰ্য্যবৰ্দ্ধন**

ড০ অমিয় কুমাৰ ভূঞা ঃ

৫৮৩। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰচুৰ সম্ভাৱনাময় পৰ্য্যটন ক্ষেত্ৰ বিকাশ আৰু সৌন্দৰ্য্যবৰ্দ্ধনৰ প্ৰসাৰ কৰাৰ ক্ষেত্ৰত বিভাগে কি কি আঁচনি ৰূপায়ন কৰি আছে? তেনে আঁচনিসমূহ ক'ত ক'ত ৰূপায়ণ কৰি থকা হৈছে জনাব।

(খ) ঐতিহ্য-পৰম্পৰা আৰু কৃষ্টি-সংস্কৃতিৰ প্ৰসাৰৰ বাবে আৰু বিকাশৰ বাবে বিভাগে বিহপুৰীয়াত কোনো ধৰণৰ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰা নাই, এই বিষয়ত পৰিকল্পনা গ্ৰহণ কৰিবনে? (সদনত জনাব)।

(গ) বিহপুৰীয়া সমষ্টিত এটা পৰ্য্যটন কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰিব নেকি? (সদনত জনাব)।

(ঘ) ৰাজ্যখনৰ পৰ্য্যটন ক্ষেত্ৰৰ মানচিত্ৰত বিহপুৰীয়া সমষ্টিৰ পৰ্য্যটনস্থলীসমূহ অন্তৰ্ভূক্ত হৈ আছেনে? যদি আছে, সদনত জনাব।

*বিষয় ঃ* **উন্নয়ন খণ্ড আৰু বিত্তীয় আয়োগ**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

৫৮৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নবগঠিত উন্নয়ন খণ্ডসমূহ সেই ব্লক এলেকাৰ ভিতৰত কেতিয়াৰ পৰা কাৰ্য্যক্ষম হ'ব?

(খ) নতুনকৈ গঠিত পঞ্চায়তৰ কাৰ্যালয়সমূহ নিৰ্মাণৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে নে? যদি কৰিছে, কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) নিৰ্দিষ্ট সময়ত পঞ্চায়ত নিৰ্বাচন পাতিব নোৱাৰাত গ্ৰামাঞ্চলসমূহলৈ অহা বিত্তীয় আয়োগৰ ধন ২০২৫-২৬ বৰ্ষত আহিব নে? এই সম্পৰ্কে বিভাগৰ হাতত কি তথ্য আছে?

(ঘ) বিগত তিনিটা বিত্তীয় বৰ্ষত বিত্তীয় আয়োগৰ পৰা গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে কি পৰিমাণৰ অনুদান লাভ কৰিছে?

*বিষয় ঃ* **চাবুৱা পৌৰসভা এলেকাৰ নলা-নৰ্দমা নিৰ্মাণ।**

শ্ৰীপোনাকণ বৰুৱা ঃ

৫৮৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাবুৱা পৌৰসভা এলেকাধীন ৰাষ্ট্ৰীয় ঘাইপথ, বজাৰ অঞ্চল, ৰাইজৰ ঘৰ-দুৱাৰ থকা

অঞ্চলসমূহ বছৰৰ ৬/৭ মাহ এজাক বৰষুণতেই জলমগ্ন হৈ থকা বিষয়টো সম্পৰ্কত চৰকাৰ জ্ঞাতনে?

(খ) কৃত্ৰিম বান আৰু অস্বাস্থ্যকৰ পৰিবেশৰ পৰা ৰাইজক সকাহ দিবলৈ বিজ্ঞানসন্মত ভাবে নলা-নৰ্দমা নিৰ্মাণ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সদনক বিতং কৈ জনাব।

*বিষয় ঃ* **পুষ্টিহীনতা সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

৫৮৬। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিত পুষ্টিহীনতাত ভোগা শিশু আৰু মাতৃৰ মুঠ সংখ্যা জনাব।

(খ) বিগত ৫ বছৰত তিনিচুকীয়া জিলাত নৱজাতক শিশু আৰু প্ৰসূতি মাতৃৰ মৃত্যুৰ সংখ্যা বছৰ অনুসৰি বিতং ভাৱে জনাব।

(গ) বাগান অঞ্চলৰ শিশুসকলৰ বিকাশৰ বাবে বিভাগে নতুন কিবা আঁচনি ৰূপায়ণৰ পৰিকল্পনা কৰিছে নেকি? (বিতং ভাৱে জনাব)।

(ঘ) যদি কৰিছে, এই আঁচনিসমূহ কেতিয়া ৰূপায়ণ কৰিব? (বিতং ভাৱে জনাব)।

*Sub.* : **Schemes of Public Health Engineering.**

Shri RUPJYOTI KURMI :

587. Will the Minister of Public Health Engineering Department be pleased to state:

(a) Is the Govt. aware that there is need of New and Retro-Fitting schemes for the People of Mariani ?

(b) If yes, will the Govt. take up such schemes at the earliest ?

(c) If yes, by When ?

*Sub.* : **Enquiry Commission regarding.**

Shri ABDUR RAHIM AHMED :

588. Will the Minister of Judicial Department be pleased to state :

(a) How many Commission of enquiry with Judicial Officer Rtd. Judge or Administrative Officer were set up by State Government in last 10 years ? Please give details as per format below.

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| Sl. No. | Name Enquiry of Commission | Name of Enquiry Officer / Judge | Date of Notification with time allowed |
| 1 | | | |
| 2 | | | |

| Subject Matter | Report Submitted on | Action taken | Any other information |
|---|---|---|---|
| | | | |
| | | | |

(b) Please, furnish copy of reports.

(c) When will Government take action on the reports and suggestions made in the reports ?

(d) Please give a detailed statement on the ATR on each report received by Government.

(e) Please submit ATR on Dholpur incident Commission enquiry report.

(f) Former Chief Minister Late Tarun Gogoi had announched to conduct CBI enquiry into Social Welfare Department scam allegation in Assembly. Has any step taken in this matter ? (Supply of School bag etc.)

*বিষয় ঃ* **অসমৰ জিডিপি বৃদ্ধিৰ অনুপাতে ঋণ বৃদ্ধিৰ হাৰ।**

শ্ৰীঅখিল গগৈ ঃ

৫৮৯। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ অসমৰ অৰ্থনীতিৰ তলৰ তথ্যসমূহ প্ৰদান কৰিব -

(i) জিডিপি (স্থিৰ মূল্য)ৰ পৰিমাণ (কোটি টকাত)।

(ii) প্ৰকৃত জিডিপিৰ বৃদ্ধিৰ হাৰ, শতাংশত (Real GDP Growth Rate)

(iii) সৰ্বমুঠ ঋণৰ পৰিমাণ (কোটি টকাত)।

(iv) বছৰি ঋণ বৃদ্ধিৰ হাৰ (শতাংশত)।

(v) জিডিপিৰ শতাংশ হিচাপত ঋণৰ হাৰ।

(খ) এই সময়খিনিত অসমৰ অৰ্থনীতি কিদৰে অগ্ৰগতি অথবা অধোগতি হৈছে? বিতংভাৱে জনাব।

*বিষয় ঃ* **দেশী-বিদেশী পৰ্য্যটক আৰু পৰ্য্যটক আৱাস।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৫৯০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসমলৈ অহা দেশী-বিদেশী পৰ্য্যটকৰ সংখ্যা (বৰ্ষভিত্তিক) দাঙি ধৰিব।

(খ) বিশ্বৰ কোনবোৰ দেশে কি কাৰণত অসম ভ্ৰমণ কৰিব নালাগে বুলি নিজ দেশৰ নাগৰিকক সতৰ্কবাণী দি থৈছে আৰু এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? জনাব।

(গ) এই বিভাগৰ অধীনত নিৰ্মাণ কৰা পৰ্য্যটক আৱাস ক'ত ক'ত আছে, সেইবোৰ নিৰ্মাণত কিমান টকা ব্যয় কৰা হৈছিল, সেইবোৰ বৰ্তমান কি পৰ্য্যায়ত আছে আৰু কাৰোবাক লীজত দিয়া হৈছে নেকি? বিতংকৈ জনাব।

(ঘ) Tea Tourism অৰ্থাৎ চাহ পৰ্য্যটনৰ বিকাশৰ বাবে কি কি সুবিধা আগবঢ়োৱা হৈছে, কোনে এই সুবিধা লৈছে? বিতংকৈ জনাব।

(ঙ) উকিয়ামক এক বিশ্বমানৰ পৰ্য্যটন ক্ষেত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ হাতত লৈছে নেকি?

(চ) দক্ষিণ কামৰূপৰ পলাশবাৰী, ছয়গাঁও আৰু বকো সমষ্টিৰ চৰ সমূহক সংহত ভাবে একত্ৰীকৰণ কৰি চৰ Tourism ৰ সৌজন্যতাত কিবা প্ৰকল্প হাতত লৈছে নেকি? যদি লোৱা নাই, কিয় লোৱা হোৱা নাই?

*বিষয় ঃ* **নতুনকৈ গঠিত উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৫৯১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়ত সমূহৰ নতুনকৈ সীমা নিৰ্দ্ধাৰণৰ পিছত নতুনকৈ গঠিত হোৱা ঘিলাজাৰী-ৰূপসী উন্নয়ন খণ্ডৰ লগতে নতুনকৈ গঠিত হোৱা উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তৰ জৰিয়তে ৰাইজৰ সেৱাৰ বাবে কাম-কাজ কেতিয়াৰ পৰা আৰম্ভ কৰিব?

(খ) নতুনকৈ গঠিত হোৱা ঘিলাজাৰী-ৰূপসী উন্নয়ন খণ্ডৰ লগতে আন উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তৰ কাৰ্য্যালয়সমূহ কেতিয়া নিৰ্মাণ কৰিব?

(গ) নতুনকৈ গঠন হোৱা উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত সমূহত বিষয়া-কৰ্মচাৰী নিযুক্তি দিয়া হৈছে নে?

(ঘ) যদি হৈছে, ঘিলাজাৰী-ৰূপসী উন্নয়ন খণ্ডত কিমানজন বিষয়া-কৰ্মচাৰী নিযুক্তি দিয়া হৈছে, বিতং ভাবে জনাব।

*বিষয় ঃ* **GPC, GR, AE কৰ্মৰত সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৫৯২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসামে বর্তমানে কত সংখ্যক GPC, GR, AE কৰ্মৰত অৱস্থায় আছেন। তাহার জেলাভিত্তিক তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) ওইসব কর্মচারীদের চাকুরী স্থায়ীকরণ, বেতন সহ অন্যান্য সুযোগ সুবিধা বৃদ্ধির জন্য সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই?

(গ) আসামের প্রায় জিলাগুলিতে একজন G.P Secretary দ্বারা অনেক জিপির কাজকর্ম চলিতেছে। তাই প্রত্যেক জিপিতে একজন Secretary নিয়োগ করার সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **জলজীৱন মিছনৰ পানীযোগান আঁচনি**

শ্ৰীদিগন্ত বৰ্মন ঃ

৫৯৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ভাওনামাৰী জিলা পৰিষদ এলেকাত জলজীৱন মিছনৰ কিমানটা নতুন নলেৰে পানীযোগান আঁচনি মঞ্জুৰ হৈছে?

(খ) উক্ত আঁচনিসমূহ সম্পূৰ্ণ হৈছেনে?

(গ) যদি সম্পূৰ্ণ হৈছে, তেতিয়াহ'লে প্ৰতিঘৰ মানুহে পানী যোগান লাভ কৰিছেনে?

(ঘ) ৩ নং নতুন চাপ্ৰাপাৰা গাঁৱত নতুনকৈ মঞ্জুৰ হোৱা 'Bhangnamari Part IV PWSS' আঁচনিখনৰ অগ্ৰগতি কিমান?

*বিষয় ঃ* **MGNREGA আঁচনি**

ডাঃ আছিফ মঃ নাজাৰ ঃ

৫৯৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত বৰ্ষত অসমত কিমান অমৃত সৰোবৰ আঁচনি হৈছে?

(খ) অমৃত সৰোবৰ আঁচনিত কিমানটা বিভাগৰ পৰা অনুদান আহে?

(গ) বিগত বৰ্ষত লাহৰীঘাটত কিমানটা অমৃত সৰোবৰ আঁচনি ৰূপায়ণ কৰা হৈছে আৰু কিমানটা অমৃত সৰোবৰ আঁচনিৰ বিল অনাদায়া হৈ আছে?

*বিষয় ঃ* **কৰ্মী/সহায়িকাৰ চাকৰি**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৫৯৫। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলকগঞ্জ সমষ্টিত ২০২১ চনৰ পৰা আজিলৈকে খালীহৈ থকা কিমানটা অংগনৱাদী কৰ্মীৰ পদত আৰু কিমানটা সহায়িকাৰ পদত নিযুক্তি দিয়া হৈছে? অংগনৱাদী কেন্দ্ৰৰ নম্বৰৰ সৈতে বিতং তথ্য সদনত উল্লেখ কৰিব।

(খ) গোলকগঞ্জ সমষ্টিত (পুৰণা সমষ্টি) আজিৰ দিনত কিমান অংগনৱাদী কৰ্মী আৰু সহায়িকাৰ পদ পুৰণ/নিযুক্তি দিব লগা আছে? কেন্দ্ৰৰ নাম সহ উল্লেখ কৰিব।

(গ) কৰ্মী আৰু সহায়িকা নিযুক্তি পাবৰ বাবে Government Guideline কি আছে জনাব। লগতে এজনী সহায়িকাই কিমান বছৰ একেৰাহে কাম কৰিলে অংগনৱাদী কৰ্মীলৈ পদোন্নতি পাব পাৰে? সদনত উল্লেখ কৰিব।

*বিষয় ঃ* **ধিং নগৰ সমিতিৰ আঁচনি**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৫৯৬। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং পৌৰসভাৰ অন্তৰ্গত কি কি আঁচনি পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত অনুমোদন কৰা হৈছে?

(খ) এই কাম সমূহ কৰিবলৈ কাক দায়িত্ব দিয়া হৈছে আৰু কি প্ৰক্ৰিয়াৰে?

*Sub.* : **PWSS in Goalpara district**

Shri ABDUR RASHID MANDAL :

597. Will the Minister of Public Health Engineering Department be pleased to state :

(a) Please furnish in details the district wise numbers of PWSS sanctioned with total estimated costs, works completed, works in progress, amount utilized and amount yet to be utilized, total target of households to provide drinking water facilities, target achieved, percentage of numbers of works completed, fund utilized and target of households achieved during the tenure of present Govt. also furnish the district wise total numbers of PWSS functioning and not functioning and steps taken to make functioning of all non functioning PWSS.

(b) Please furnish constituency wise list of PWSS lying half done, nonfunctional in Goalpara district along with estimated cost of each scheme, date of commencement of works, amount utilized against the scheme and steps taken to make them functioning during the tenure of present Govt.

*বিষয় ঃ* **চাকৰি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৫৯৮। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত Jaleswar ICDS আৰু Lakhipur ICDSৰ অধীনত ২০২১ চনৰ পৰা ২০২৪ চনলৈকে কিমানটা পদৰ নিযুক্তি দিয়া হৈছে? আৰু তাৰে ভিতৰত কেইটা সহায়িকাৰ পদত আৰু কেইটা কৰ্মীৰ পদত নিযুক্তি দিয়া হৈছে, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **নগৰসমূহৰ সৌন্দৰ্যবৰ্দ্ধন**

ড° অমিয় কুমাৰ ভূঞা ঃ

৫৯৯। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰসমূহৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰি আছে? (সদনত জনাব)

(খ) নগৰ সমূহত কৰ্মৰত মহিলাৰ বাবে সামূহিক আৱাস নিৰ্মাণ কৰি দিব পাৰি নে? যদি পাৰি, বিহপুৰীয়া সমষ্টিৰ বাবে এনেধৰণৰ প্ৰস্তাৱ ৰাখিব পৰা যাবনে? (সদনত জনাব)

(গ) আশ্ৰয়হীন জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বৃদ্ধাশ্ৰম (Old Age Home) নিৰ্মাণৰ ব্যৱস্থা

কৰিব পাৰি নে? যদি পাৰি, বিহপুৰীয়া সমষ্টিৰ পৰা তেনে প্ৰস্তাৱ প্ৰেৰণ কৰিব পাৰিনে? (সদনত জনাব)

*বিষয় ঃ* **ডিব্ৰু-ছৈখোৱা, মাখুৰি-মতাদুং বিল, বাৰেকুৰিৰ হলৌ বান্দৰ, নদী পৰ্যটনৰ প্ৰসঙ্গত।**

শ্ৰীপোনাকণ বৰুৱা ঃ

৬০০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে কি কাৰণত আকৰ্ষণীয়? পৰ্য্যটন বিকাশৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

(খ) ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান সংলগ্ন মাখুৰি-মতাদুং বিলৰ সুৰক্ষা আৰু ইয়ালৈ পৰ্যটক সকলক আকৰ্ষণ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

(গ) মাখুৰি-মতাদুং বিলৰ দাঁতি-কাষৰীয়া বাৰেকুৰি গাঁৱত কিমান সংখ্যক হলৌ বান্দৰ আছে? হলৌ বান্দৰক লৈ গাঁওখনত পৰ্য্যটন বিকাশৰ বাবে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(ঘ) উক্ত উদ্যানৰ বিকাশৰ বাবে ২০১৮ চনত স্বদেশ দৰ্শন আঁচনিৰ অধীনত নতুন ৰঙাগড়াত ১৮ কোটি টকা ব্যয় সাপেক্ষে এটি প্ৰকল্প নিৰ্মাণ কৰি ২০২২ চনতে সম্পূৰ্ণ কৰা হ'ল কিন্তু বৰ্তমানলৈকে মুকলি কৰিব নোৱাৰাৰ কাৰণ কি?

(ঙ) ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানক ভিত্তি কৰি তাত ডিব্ৰু নৈ, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহক লৈ নদী পৰ্য্যটনৰ বাবে চৰকাৰে কিবা পৰিকল্পনা লৈছে নেকি?

*বিষয় ঃ* **নগৰ সমিতি, পৌৰসভা, পৌৰনিগম গঠন সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

৬০১। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগৰ সমিতি, পৌৰসভা আৰু পৌৰনিগম গঠন কৰিবলৈ কি কি বৈশিষ্টৰ প্ৰয়োজন?

(খ) নগৰ সমিতি, পৌৰসভা আৰু পৌৰনিগম গঠন হ'লে সংশ্লিষ্ট অঞ্চলৰ বাসিন্দা বা ৰাইজ কেনেদৰে উপকৃত হয়? সবিশেষ জনাব।

(গ) নতুনকৈ পৌৰসভা, নগৰ সমিতি আৰু পৌৰনিগম গঠন কৰা প্ৰক্ৰিয়া সমূহ কি কি? সবিশেষ জনাব।

*বিষয় ঃ* **অঙ্গনবাদী কেন্দ্ৰ (AWC) সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৬০২। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত গোমাফুলবাৰী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, বৰপেটা সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প, ভৱানীপুৰ সংহত শিশু উন্নয়ন প্ৰকল্প আৰু গোৱৰ্দ্ধনা সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত এতিয়ালৈ বহুখিনি অঙ্গনবাদী কেন্দ্ৰ (AWC) জৰাজীৰ্ণ অৱস্থাত আছে। তাৰে কিছুমান অঙ্গনবাদী কেন্দ্ৰ ইতিমধ্যে আদৰ্শ অঙ্গনবাদী কেন্দ্ৰ হিচাপে নাম অন্তৰ্ভুক্ত হৈ আহিছে যদিও ভাল সংখ্যক অঙ্গনবাদী কেন্দ্ৰ বাদ পৰিছে। এই বিষয়ে বিভাগ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই জৰাজীৰ্ণ অঙ্গনবাদী কেন্দ্ৰ সমূহৰ আন্তঃগাঁথনি উন্নত কৰাৰ কাৰণে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? সবিশেষ জনাব।

(গ) এই বাদ পৰি থকা অঙ্গনবাদী কেন্দ্ৰ বিলাক পৰৱৰ্তী পৰ্য্যায়ত আদৰ্শ অঙ্গনবাদী কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ বিভাগে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, সবিশেষ জনাব।

*বিষয় ঃ* **চৰকাৰী অধিবক্তা সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৬০৩। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানজন চৰকাৰী অধিবক্তা আছে? জিলা ভিত্তিত তথ্য দিব।

(খ) এই বিভাগে চলিত বিত্তীয় বৰ্ষত কিমান ধন কি কি শিতানত ব্যয় কৰিছে? বিতং ভাৱে তথ্য দিব।

(গ) কি কি প্ৰক্ৰিয়াৰ জৰিয়তে চৰকাৰী অধিবক্তা নিয়োগ কৰা হয়? নতুনকৈ চৰকাৰী অধিবক্তা নিয়োগ কৰাৰ পৰিকল্পনা আছে নেকি?

(ঘ) অসমত মুঠ কিমান চৰকাৰী অধিবক্তাৰ পদ খালী হৈ আছে?

*বিষয়ঃ* **অঙ্গনওয়াড়ী Worker ও Helper দের সুযোগ সুবিধা সম্পৰ্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৬০৪। মাননীয় Women & Child Development বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) অঙ্গনওয়াড়ী Worker ও Helper দের সুযোগ সুবিধা বৃদ্ধির জন্য Cabinet Sub Committee গঠন করা হয়েছে ইহা সত্যি কি? যদি হয়ে থাকে তবে কাদের নিয়ে এই কমিটি গঠন করা হয়েছে তাহার বিস্তারিত তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) তাদের বেতন সহ সুযোগ সুবিধা বৃদ্ধির জন্য Sub Committee কী কী সিদ্ধান্ত নিয়েছে? যদি কোনো সিদ্ধান্ত নিয়ে থাকে তাহার বিস্তারিত তথ্য সদনে প্রকাশের অনুরোধ জানাই। তাদের উর্ধ্বসীমা বয়স বৃদ্ধির জন্য কী কী সিদ্ধান্ত নেওয়া হয়েছে? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(গ) আসামের কোন কোন অঙ্গনওয়াড়ী কেন্দ্রে কত সংখ্যক শিশু আছে তাহার জেলাভিত্তিক তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **চৰকাৰী অতিথিশালা**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৬০৫। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰতৰ কোন কোন ঠাইত অসম ভৱন (Assam House) আছে আৰু ক'ত ক'ত নতুনকৈ নিৰ্মাণ হ'ব? কোন কোন অসম ভৱনত কিমান সংখ্যক অতিথি থকাৰ সু-ব্যৱস্থা আছে? যোৱা ৩ বছৰত অসম ভৱন সমূহৰ আয় ব্যয়ৰ হিচাপ দিব?

(খ) অসমৰ কোন কোন জিলাত আৱৰ্ত ভৱন বা Circuit House আছে আৰু ক'ত ক'ত বনাই থকা হৈছে? (আৱণ্টিত টকাৰ পৰিমাণ সহ জনাব)

*Sub.* : **MGNREGA works and Budget.**

Shri ABDUR RASHID MANDAL :

606. Will the Minister of Panchayat and Rural Development Department be pleased to state :

Please furnish year wise and Development Block wise the following

informations since 2019/20 to 2024/25 in details under MGNREGA.

(a) Job Cards issued and active Job Cards available.

(b) Numbers of works with amounts sanctioned, numbers of works completed with amount of fund utilized, numbers of works are ongoing with amounts of fund yet to be utilized.

(c) What guidelines/formula is given by the Govt. of India for preparing Labour Budget? What formula is being followed by the Govt. of Assam in preparing Labour Budget?

(d) Labour Budget, Projected Man-days, Man-days Generated, percentage of utilization of funds in comparison with Labour Budget.

*বিষয় ঃ* **এম জি এনৰেগা আঁচনি**

শ্ৰীদিগন্ত বৰ্মন ঃ

৬০৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় ৰোজগাৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দায়বদ্ধ নে? যদি হয়, এই আঁচনি আৰম্ভণিৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ কিমানজন লোকক কৰ্মদিনৰ কাম প্ৰদান কৰিছে? (জিলাভিত্তিক তথ্য দিব)।

(খ) উক্ত আঁচনিৰ অধীনত বৰ্ষভিত্তিক ১০০ দিনৰ কৰ্মদিন লাভ কৰা লোকৰ সংখ্যা কিমান?

(গ) ১০০ দিনৰ কাম দিব নোৱাৰা লোকৰ বিপৰীতে ভাট্টা দিয়া ধনৰ পৰিমাণ কিমান? জিলাভিত্তিক তথ্য দিব।

(ঘ) এই আঁচনিৰ অধীনত একোজন লোকৰ কৰ্মদিনৰ বিপৰীতে দৈনিক মজুৰিৰ পৰিমাণ কিমান? এই মজুৰিৰ পৰিমাণ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে কিমানবাৰ কি হাৰত বৃদ্ধি কৰা হৈছে? তথ্য দাখিল কৰিব।

(ঙ) বৰ্তমান বজাৰ দৰ অনুযায়ী এমজি এনৰেগা আঁচনিৰ দৈনিক মজুৰিৰ ধন ন্যূনতম হোৱা বুলি চৰকাৰে অনুভৱ কৰে নে? এই হাজিৰাৰ পৰিমাণ কম হোৱা বাবে শ্ৰমিকে কাম নকৰাত এটা চক্ৰই মাথো শ্ৰমিকৰ আলোকচিত্ৰ আপলোড কৰাৰ বিষয়ে চৰকাৰ অৱগত নে?

(চ) বৰ্তমান বজাৰ মূল্যায়নৰ প্ৰতি লক্ষ্য ৰাখি এমজি এনৰেগা আঁচনিৰ শ্ৰমিকৰ দৈনিক হাজিৰা ৬০০ টকালৈ বৃদ্ধি কৰি আঁচনিখন ফলপ্ৰসূ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব নে?

(ছ) আইন অনুসৰি কাম নিদিলে মজুৰী দিয়াৰ আইনী ব্যৱস্থা চৰকাৰে পালন কৰিছে নে?

(জ) ৰাইজৰ দাবী অনুসৰি বিভাগে ৰূপায়ণ নকৰা এমজিএনৰেগা কামৰ দাবীৰ বিপৰীতে ক্ষতিপূৰণ দিয়া যোৱা পাঁচ বছৰৰ জিলা ভিত্তিক তালিকা দাখিল কৰিব।

*বিষয় ঃ* **জলজীৱন মিছন সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৬০৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ সৰ্বমুঠ কিমানখন গাঁৱত জল জীৱন মিছন আঁচনিৰ ৰূপায়ণ হৈছে? আৰু এতিয়াও কিমানখন গাঁও বাকী আছে, এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) জল জীৱন মিছনৰ অধীনত জল মিত্ৰৰ মাহিলী দৰমহা বৰ্তমান কিমান? আৰু আগলৈ জলমিত্ৰবোৰৰ মাহিলী দৰমহা বঢ়োৱাৰ বাবে

চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, কেতিয়া বঢ়াব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **মহিলা আৰু শিশু সৱলীকৰণ।**

ড° অমিয় কুমাৰ ভূঞা ঃ

৬০৯। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মহিলা আৰু শিশু সৱলীকৰণৰ বাবে বিভাগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰি থকা হৈছে? তেনে ধৰণৰ আঁচনি ৰূপায়ণৰ বাবে চলিত বিত্তীয় বৰ্ষত কিমান পৰিমাণৰ পুঁজি আৱণ্টন কৰা হ'ল? (সদনত জনাব)

(খ) মহিলা আৰু শিশুসকলৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু সাংস্কৃতিক উৎকৰ্ষ সাধনৰ বাবে বিশেষভাৱে পৰিকল্পনা প্ৰস্তুত কৰিছে নেকি? যদি কৰিছে, তাৰ বাবে কি ধৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে? (সদনত জনাব)

(গ) বিহপুৰীয়া সমষ্টিত মহিলা আৰু শিশুসকল উপকৃত হোৱাকৈ আঁচনি ৰূপায়িত কৰা হৈছে নেকি? (সদনত জনাব)।

*বিষয় ঃ* **অঙ্গনবাদী কেন্দ্ৰৰ সংখ্যা।**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৬১০। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ কোন কোন সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত কিমান অঙ্গনবাদী কেন্দ্ৰ আছে? জনসংখ্যা অনুসৰি কোন কোন এলেকাত আৰু কিমান নতুন অঙ্গনৱাদী কেন্দ্ৰৰ প্ৰয়োজন আছে?

(খ) এই সম্পৰ্কে ৰাজ্য চৰকালৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে নে? যদি হৈছে, তেনেহলে তথ্য দিব।

*বিষয় ঃ* **খালী পদ পূৰণ সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৬১১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ উন্নয়ন খণ্ড আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত আজিলৈকে কিমানটা পদ খালী হৈ আছে? চৰকাৰ অৱগত নে?

যদি অৱগত, সেই খালী পদবোৰ কেতিয়া পূৰণ কৰিব?

(খ) বিশেষকৈ জলেশ্বৰ সমষ্টিত যিমানটা গাঁও পঞ্চায়ত আছে, তাৰে কেইটা গাঁও পঞ্চায়তত পঞ্চায়ত সচিব আছে আৰু কেইটা পঞ্চায়তত নাই, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **পঞ্চায়তৰ নতুন ভৱন নিৰ্মাণ।**

ড° অমিয় কুমাৰ ভূঞা ঃ

৬১২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পঞ্চায়তৰ নতুন ভৱন নিৰ্মাণৰ বাবে আঁচনি ৰূপায়ণ কৰি থকা হৈছে নেকি? যদি হৈছে তেনে ভৱন নিৰ্মাণৰ হেতু প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰি নেকি? (সদনত জনাব)।

(খ) বিভাগৰ দ্বাৰা পঞ্চায়তসমূহৰ আন্তঃগাঁথনি উন্নয়নকে ধৰি আৰু কি কি সা-সজুঁলিসহ সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা আছে (সদনত জনাব)।

(গ) পঞ্চায়তসমূহে নিজৰ আয় আহৰণৰ বাবে কি কি নতুন ক্ষেত্ৰ সৃষ্টি কৰি পুঁজি গঠন কৰিব পাৰে? তেনে ধৰণৰ অগ্ৰাধিকাৰ দিব পৰা বিষয়সমূহ নিৰ্বাচন কৰিব পাৰি নে? (সদনত জনাব)।

---

Assam Government press 72/25-LAQ-550-25-03-2025